# বন্ধুত্ব আৰু কৃতজ্ঞতাৰ এক মূৰ্ত্তিমান ৰূপ ৰজনীকান্ত

তথ্য আৰু অভিজ্ঞতাৰ ভিত্তিত মানুহৰ মনত বিভিন্ন ধাৰণাই গঢ় লৈ উঠে। দেখা যায় যে কেতিয়াবা কোনো কাৰণত ভুল ধাৰণাৰ সৃষ্টি হয়। কেতিয়াবা এইটোও দেখা যায় যে এসময়ত শুদ্ধ বুলি ভাবি থকা ধাৰণা এটা বহুতদিনৰ মূৰত অশুদ্ধ বুলি উপলব্ধি হয়। ঠিক সেইদৰেই অশুদ্ধ ধাৰণা এটাও কোনোবা এটা সময়ত শুদ্ধ বুলি উপলব্ধি কৰা হয়।

মোৰ নিজৰ জীৱনতে দেখিছো যে বহুতবাৰ ধাৰণাৰ সলনি হৈছে। মানুহ সম্পৰ্কে হোৱা ধাৰণাৰ ক্ষেত্ৰতো সেই কথাই খাটে। কোনো কোনো ব্যক্তিৰ প্ৰতি অতি উচ্চ মত পোষণ কৰিছিলো কিন্তু পৰবৰ্তী কালত অভিজ্ঞতাৰ ভিত্তিত সেই মত সলনি কৰিবলৈ বাধ্য হৈছো। ঠিক সেইদৰেই কোনো কোনো লোকৰ প্ৰতি তুচ্ছ মত পোষণ কৰিছিলো কিন্তু পিছত ভুল ধাৰণাৰ বাবে নিজৰ ওচৰতে লজ্জিত বোধ কৰিছো। এটা উদাহৰণ হৈছে তামিল বোলছবিৰ মেগাষ্টাৰ ৰজনীকান্ত। তেওঁৰ নামটো আগতে শুনিছিলো যদিও তেওঁৰ কথা ভালদৰে জানিবলৈ পাইছিলো ইয়াত থাকিবলৈ অহাৰ পিছৰ পৰাহে। ৰজনীকান্ত বা তেওঁৰ অভিনয় ক্ষমতাৰ বিষয়ে মই একো উচ্চ মত পোষণ কৰা নাছিলো আৰু তেওঁ ইমান জনপ্ৰিয় হোৱাৰ কাৰণো বুজিব পৰা নাছিলো। কিন্তু ব্যক্তি ৰজনীকান্তৰ বিষয়ে যেতিয়াই কেতবোৰ কথা জানিবলৈ পালো তেতিয়াই তেওঁৰ প্ৰতি ধাৰণাৰ আমূল পৰিবৰ্তন ঘটিল। আজি তেওঁৰ প্ৰতি মোৰ হৃদয়ত আছে এক গভীৰ শ্ৰদ্ধাৰ ভাৱ।

ৰজনীকান্তৰ বিষয়ে মই গুৰুত্বসহকাৰে চিন্তা কৰিবলৈ লৈছো যোৱা দহবছৰ মানৰ পৰাহে। এদিন খবৰ কাগজত পঢ়িবলৈ পালো যে বোলছবিত অভিনয় কৰি এচিয়াৰ ভিতৰতে সৰ্বাধিক ধন উপাৰ্জন কৰে অভিনেতা জেকি চেনে। তাত আচৰিত হ'বলগীয়া একো কথা নাই। কিন্তু আচৰিত হৈছিলো ৰজনীকান্তৰ স্থান জেকি চেনৰ পিছতে অৰ্থাৎ এচিয়াত দ্বিতীয় বুলি জানি। বলিউডৰ শ্বাহৰুখ খান একেবাৰে তুংগত থকা অৱস্থাত আঞ্চলিক ভাষাৰ বোলছবিৰ নায়কে কেনেকৈ দেশৰ সৰ্বোচ্চ স্থান লাভ কৰিব পাৰে ? তেতিয়াৰে পৰা মই ৰজনীকান্ত সম্পৰ্কে খবৰ কাগজত কিবা প্ৰকাশ পালে পঢ়িবলৈ আৰু মানুহৰ লগত বিশেষকৈ তামিলনাডুৰ মানুহৰ লগত কথা বতৰা পাতোতে ৰজনীকান্তৰ কথা ওলালে মনোযোগেৰে শুনিবলৈ ধৰিলো।

সাম্প্ৰতিক কালত তামিলনাডুত আটাইতকৈ জনপ্ৰিয় আৰু সবাতোকৈ শ্ৰদ্ধাভাজন লোক হৈছে ৰজনীকান্ত। বহুতো লোক আছে যি তেওঁলোকৰ বিশিষ্ট গুণৰ বাবে শ্ৰদ্ধাভাজন হয় কিন্তু

তেওঁলোক জনপ্ৰিয় নহবও পাৰে। ঠিক সেইদৰেই এক অতি জনপ্ৰিয় ব্যক্তি শ্ৰদ্ধাভাজন নহবও পাৰে। কিন্তু ৰজনীকান্ত হৈছে এক বিৰল ব্যক্তি।

তামিল বোলছবিত অভিনয় কৰিলেও ৰজনীকান্তৰ মাতৃভাষা তামিল নহয় – তেওঁৰ মাতৃভাষা হৈছে মাৰাঠি। দ্বিতীয়তে তেওঁ তামিলনাডুৰ মানুহ নহয় – কৰ্ণাটকৰ মানুহ। কৰ্ণাটকত বহুতো মাৰাঠিভাষী মানুহ আছে যিসকলে আজি কেইবা শ বছৰ ধৰি ইয়াতে বসবাস কৰি আহিছে। তেওঁলোকে কৰ্ণাটকৰ সংস্কৃতি, খাদ্যাভাস আদি গ্ৰহণ কৰিলেও তেওঁলোকৰ ভাষাটো এতিয়াও জীয়াই ৰাখিছে – ঘৰত আৰু নিজৰ মানুহৰ মাজত মাৰাঠি ভাষাতে কথা পাতে। অৱশ্যে লিখিবলগীয়া হ'লে কান্নাড়া লিপিত লিখে – দেৱনাগৰি লিপিত নিলিখে। অলপতে পঢ়িবলৈ পাইছো মাৰাঠাসকলৰ মহানায়ক আৰু আটাইতকৈ সন্মানীয় ব্যক্তি ছত্ৰপতি শিবাজীয়ে বেংগালুৰুৰ ছোৱালী বিয়া কৰাইছিল।

ৰজনীকান্তৰ আচল নাম হৈছে শিৱাজী ৰাও গায়কৱাদ। শিৱাজী নামটো হৈছে মাৰাঠা মানুহৰ মাজত আটাইতকৈ প্ৰচলিত নাম। ১৯৫০ চনৰ ১২ ডিচেম্বৰ তাৰিখে বেংগালুৰুত জন্ম লাভ কৰা শিৱাজীয়ে কান্নাড়া মাধ্যমৰ চৰকাৰী স্কুলত পঢ়িছিলে। সেই সময়চোৱাতে ককায়েকে ৰামকৃষ্ণ মঠত নাম লগাই দিলে। তাত তেওঁ ভাৰতীয় সংস্কৃতি, ইতিহাস, পৰম্পৰা আদিৰ লগতে বেদৰ শিক্ষাও লাভ কৰিছিল। তাৰ বাবেই তেওঁ আজি এজন সাত্বিক আৰু আধ্যাত্মিক ব্যক্তি। তাৰ পিছত তেওঁ আচাৰ্য্য পাঠশালা পাব্লিক স্কুলত পঢ়ে। স্কুলত পঢ়ি থকা অৱস্থাতে তেওঁ বিভিন্ন নাটকত অভিনয় কৰিছিল।

প্ৰাক স্নাতক শ্ৰেণী পাছ কৰাৰ পিছত বিভিন্ন ধৰণৰ সৰু সুৰা কাম কৰি বেংগালুৰু চিটি বাচৰ কন্‌ডাক্টৰ কামত সোমায়। বাচ কন্‌ডাক্টৰ হৈ থকা অৱস্থাতো তেওঁ বিভিন্ন কান্নাড়া নাটকত অভিনয় কৰিছিল। ঠিক সেই সময়তে তেওঁ খবৰ কাগজত এটা বিজ্ঞাপন দেখিবলৈ পালে। নতুনকৈ আৰম্ভ হোৱা মাদ্ৰাজ ফিল্ম ইনষ্টিটিউটত অভিনয়ৰ প্ৰশিক্ষণৰ কৰ্ছৰ বাবে দৰ্খাস্তৰ আহ্বান কৰা হৈছিল। তেওঁ তালৈ প্ৰশিক্ষণৰ বাবে যাবলৈ ইচ্ছা কৰিছিল যদিও ঘৰৰ কোনেও সমৰ্থন নকৰিলে। তেতিয়া তেওঁৰ বন্ধু আৰু সহকৰ্মী ৰাজ বাহাদুৰ (যি চিটি বাচৰ ড্ৰাইভাৰ আছিল) এ উৎসাহিত কৰাত ৰজনীকান্ত সেই প্ৰতিষ্ঠানত প্ৰশিক্ষণ ল'বলৈ গ'ল। কেৱল সেয়েই নহয় – ৰাজ বাহাদুৰে সেই কালছোৱাত তেওঁক আৰ্থিকভাবে সহায় কৰিছিল। তাত প্ৰশিক্ষণ লৈ থকাৰ সময়তে তেওঁ এখন নাটকত অভিনয় কৰিছিল যাৰ ফলত প্ৰখ্যাত বোলছবি নিৰ্দেশক বালচন্দৰৰ দৃষ্টিগোচৰ হৈছিল। বালচন্দৰে তেওঁক তামিল শিকিবলৈ পৰামৰ্শ দিলে। তামিল বোলছবিত অভিনয় কৰাৰ প্ৰথম সুযোগ তেওঁক বালচন্দৰেই দিছিল 'অপূৰ্ব ৰাংগাংগল' নামৰ বোলছবিখনৰ জৰিয়তে। তেওঁৰ শিৱাজী নামটো তামিল সমাজৰ বাবে আচহুৱা হোৱাৰ বাবে বালচন্দৰেই

তেওঁক ৰজনীকান্ত নামটো দিলে। সেয়াই আছিল আৰম্ভনি – তামিল ভাষাৰ বাহিৰেও তেওঁ কান্নাড়া, তেলেগু আৰু হিন্দী বোলছবিতো অভিনয় কৰিছে। এতিয়ালৈকে তেওঁ ১৫০ খনতকৈয়ো অধিক বোলছবিত অভিনয় কৰিছে।

তেওঁৰ যোৱাবছৰ মুক্তিলাভ কৰা ‘কাবালি’ নামৰ চিনেমাখনে কেইবাটাও অভিলেখ স্থাপন কৰিবলৈ সক্ষম হৈছে। সেইখন একেদিনাই পৃথিবীৰ বিভিন্ন দেশৰ সৰ্বমুঠ চাৰিহাজাৰ ৰূপালী পৰ্দাত দেখিবলৈ পোৱা গৈছিল। সেইখনৰ মুক্তিলাভৰ আগদিনা মই মোৰ তামিল ছাত্ৰ-ছাত্ৰীসকলক সুধিছিলো “তহঁত জানো কাইলৈ ক্লাছলৈ আহিবি ? ৰজনীকান্তকহে চাবলৈ যাবি ?” সিহঁতে সমস্বৰে ‘হয়’ বুলি উত্তৰ দিছিলে। সিহঁতে মোক কৈছিল যে সিহঁতে কাহিনীটো বা আন কোনো কাৰণত চিনেমাখন চাবলৈ নাযায় – কেৱল ৰজনীকান্তৰ এটা দৰ্শন লাভৰ বাবে যাব। সিহঁতৰ বহুতে প্ৰথমদিনাই চিনেমাখন চাবলৈ ৫০০ টকা পৰ্যন্ত খৰছ কৰিবলগীয়া হৈছিল। মই সিহঁতক সুধিছিলো যে সিহঁতৰ বৰদেউতাক বা ককাকৰ বয়সৰ মানুহ এজনক ‘হিৰ’ বুলি কেনেকৈ মানিব পাৰে। এজন ৬৫/৬৬ বছৰৰ বয়সীয়া ব্যক্তি ১৯/২০ বছৰীয়া ল’ৰাছোৱালীৰ ককাক হ’ব পৰাটো একো অসম্ভৱ নহয়। সিহঁতে মোক কৈছিলে যে তেওঁৰ বয়সৰ কথা সিহঁতৰ মনলৈ কেতিয়াও নাহে। তেতিয়া মই ভাবিছিলো ৰজনীকান্তৰ জনপ্ৰিয়তাৰ ওপৰত এনেয়ে ‘For the love of a Man’ নামৰ তথ্যচিত্ৰখন নিৰ্মিত হোৱা নাই।

তেওঁ ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পৰ্য্যায়ত বিভিন্ন বটা লাভ কৰিছে। ভাৰত চৰকাৰে তেওঁক ২০০০ চনত পদ্মভূষণ আৰু ২০১৬ চনত পদ্ম বিভূষণ সন্মানেৰে সুশোভিত কৰিছে। তেওঁৰ জীৱনৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা পাঠ 'From Bus conductor to superstar' স্কুলৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হৈছে। তামিলনাডুৰ মানুহে তেওঁক শ্ৰদ্ধা আৰু ভক্তিৰে ‘তালাইবা’ বুলি কয়।

মই অৱশ্যে তেওঁক শ্ৰদ্ধা কৰাৰ কাৰণ প্ৰতিভা আৰু সাফল্য নহয়। মই তেওঁক আজি শ্ৰদ্ধা কৰো কেইটামান বিৰল গুণৰ বাবে যি কেইটা সাফল্যৰ উচ্চ শিখৰত আৰোহণ কৰা মানুহৰ ক্ষেত্ৰত সাধাৰণতে দেখা নাযায়। বোলছবিত অভিনয় কৰি ধন উপাৰ্জন কৰা সকলৰ ভিতৰত এচিয়াৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰাৰ অভিলেখ স্থাপন কৰা এই ব্যক্তিজনে আজিও পাহৰা নাই তেওঁৰ এসময়ৰ বাচ ড্ৰাইভাৰ বন্ধু ৰাজ বাহাদুৰক – আজিও পাহৰা নাই ৰাজ বাহাদুৰে কৰা উপকাৰৰ কথা।

মই ১৯৮৩ চনত মাইচুৰলৈ অহাৰ পৰা ইয়াৰ মানুহৰ মুখত ৰজনীকান্তৰ বিষয়ে নানান কথা শুনিবলৈ পাই আহিছো। মাজে মাজে খবৰ কাগজত 'Rajanikanth in City' শিৰোনামাৰে

তেওঁৰ বাতৰি পাওঁ। আন কাকো জানিবলৈ নিদিয়াকৈ তেওঁ হঠাতে আহি ওলাইহি আৰু আগৰ বন্ধুসকলৰ লগত অৰ্থাত্ চিটি বাচৰ ড্ৰাইভাৰ, কনডাক্টৰৰ লগত একেলগ হৈ আগৰ সৰু হোটেলত গৈ খায়গৈ। জনমাধ্যমৰ চেহেৰা আৰু আচল চেহেৰাৰ মাজত বহুত পাৰ্থক্য। কোনো সাংবাদিকে কেনেবাকৈ গম পাই সেইখিনি পোৱাৰ আগতেই ৰজনীকান্ত ভুৰুং কৰে অন্তৰ্ধান হয়। বন্ধু ৰাজ বাহাদুৰৰ সাধাৰণ ঘৰত খাবলৈ বা থাকিবলৈ তেওঁৰ কোনো অসুবিধা নহয়।

ৰজনীকান্ত আৰু ৰাজ বাহাদুৰৰ বন্ধুত্বক শ্ৰীকৃষ্ণ আৰু চুদামাৰ বন্ধুত্বৰ মাজত তুলনা কৰা হয়। দক্ষিণ ভাৰতত চুদামাক কুচেলা বুলি কোৱা হয়। আজি কিছুদিনৰ আগতে ইয়াৰ এখন খবৰ কাগজত ৰজনীকান্ত সম্পৰ্কে লিখা এটা প্ৰৱন্ধত তেওঁলোকক 'কলিযুগৰ শ্ৰীকৃষ্ণ আৰু কুচেলা' বুলি অভিহিত কৰা হৈছে। শ্ৰীকৃষ্ণ আৰু চুদামা আছিল বাল্যবন্ধু। শ্ৰীকৃষ্ণ দ্বাৰকাৰ ৰজা হোৱা সত্ত্বেও দুখীয়া ব্ৰাহ্মণ চুদামাক তেওঁ সমজ্ঞান কৰিছিল। সাধাৰণতে দেখা যায় যে বন্ধুত্ব সমপৰ্য্যায়ৰ মানুহৰ মাজত গঢ়ি উঠে। এইটোও দেখা যায় যে সমপৰ্য্যায়ৰ মানুহৰ মাজত বন্ধুত্ব স্থায়ী হয়। শ্ৰীকৃষ্ণ আৰু চুদামাৰ বন্ধুত্ব আছিল ব্যতিক্ৰম। সাম্প্ৰতিক কালত সেই বন্ধুত্ব দেখা যায় ৰজনীকান্ত আৰু ৰাজ বাহাদুৰৰ বন্ধুত্বত।

মই আবেগত অভিভূত হৈ পৰিছিলো যেতিয়া পঢ়িবলৈ পাইছিলো যে ৰজনীকান্তে নিজৰ ছোৱালীৰ বিয়া পাতোতে প্ৰথম নিমন্ত্ৰনী পত্ৰখন ৰাজ বাহাদুৰক দিছিলে। সেইখন তেওঁ প'ষ্ট কৰি বা ক'ৰিয়াৰ যোগে পঠোৱা নাছিল। পত্নী লতাৰে সৈতে বেংগালুৰুলৈ আহি ৰাজ বাহাদুৰৰ ঘৰত নিজ হাতেৰে দি গৈছিল। কেৱল সেয়েই নহয়, তেওঁ এইটোও নিশ্চিত কৰিছিল যে বিবাহস্থলত তেওঁৰ বন্ধু আৰু বন্ধু পৰিয়ালে প্ৰথম শাৰীতে বহিব পাৰে। সেয়ে তেওঁ প্ৰথম শাৰীটো সংৰক্ষিত কৰি ৰাখিছিলে।

এইখিনিতে এটা কথা উল্লেখ কৰা উচিত হ'ব যে তেওঁৰ বন্ধু ৰাজ বাহাদুৰ সাধাৰণ মানুহ যদিও তেওঁৰ গাতো এক অসাধাৰণ গুণ আছে। তেওঁ কোনোদিন এই বন্ধুত্বৰ সুবিধা লোৱা নাই। পঢ়িবলৈ পাইছো যে ৰজনীকান্তৰ সামান্য সহায় লৈ কোটিপতি হোৱাৰ সুযোগ পাইছে যদিও সেই সুযোগ তেওঁ প্ৰত্যাখ্যান কৰিছে। তেওঁ যদি অযথা সুযোগ গ্ৰহণ কৰিলেহেতেন তেনেহলে সেই বন্ধুত্বই কেনে ৰূপ ল'লেহেতেন সেই কথা কোৱা টান।

ৰজনীকান্তে আজিও পাহৰা নাই তেওঁৰ প্ৰয়োজনৰ সময়ত বন্ধুৱে কৰা উপকাৰৰ কথা। আমি সাধাৰণতে দেখিবলৈ পাও যে মানুহে আনৰ পৰা লাভ কৰা উপকাৰৰ কথা পাহৰি যায়। তাৰ বিনিময়ত উপকাৰ কৰাটো দূৰৰ কথা বহুত মানুহে আনৰ পৰা পোৱা উপকাৰৰ কথা স্বীকাৰ

কৰিবলৈকো সংকোচ বোধ কৰে। দৰাচলতে কৃতজ্ঞতা বোধ হৈছে এক অতি উচ্চ পৰ্য্যায়ৰ অনুভূতি। মোৰ বোধেৰে উচ্চ পৰ্য্যায়ৰ লোকেহে কৃতজ্ঞতা বোধ অনুভৱ কৰে।

এই কথা একেষাৰতে কব পাৰি যে ৰজনীকান্ত এজন মহৎ আৰু বিৰল ব্যক্তি। তেওঁৰ মহত্বৰ সকলো উদাহৰণ স্থানাভাৱত লিখিব পৰা নহব যদিও এটা উদাহৰণ দিও। তেওঁৰ উপাৰ্জনৰ অধিকাংশ ধন জনহিতকৰ কামত খৰছ হয় যাৰ বাবে তেওঁ কোনো প্ৰচাৰ নকৰে।

বন্ধুত্ব আৰু কৃতজ্ঞতাবোধ কাক কয় সেই কথা বুজিবলৈ হ'লে ৰজনীকান্তক জানিব লাগিব। সেয়েহে কও তেওঁ যেন এই দুয়োটাৰে এক personification অৰ্থাৎ মূৰ্ত্তিমান ৰূপ।